জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৬৫৯/২০২০

# অসম আৰক্ষী দিৱসত অংশ গ্ৰহণ কৰি অসম আৰক্ষীৰ বিষয়া-কৰ্মচাৰীসকলৰ বাবে কেইবাটাও কল্যাণকামী আঁচনি ঘোষণা কৰিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১ অক্টোবৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মহানগৰীৰ কাহিলিপাৰাস্থিত চতুৰ্থ অসম আৰক্ষী বাহিনীৰ চৌহদত আয়োজিত অসম আৰক্ষী দিৱস উদ্‌যাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশ গ্ৰহণ কৰি দুৰ্যোগৰ সময়ত বিশেষকৈ ক'ভিড-১৯ সৃষ্ট জটিল পৰিস্থিতিৰ সময়ত অসম আৰক্ষীয়ে লোৱা ভূমিকাৰ শলাগ লোৱাৰ উপৰি আৰক্ষী বাহিনীৰ এই কৰ্তব্যনিষ্ঠা, নিৰ্ভীকতা, উৎসৰ্গিত মনোভাৱক উৎসাহিত কৰাৰ বাবে 'চীফ মিনিষ্টাৰ্চ স্পেচিয়েল চাৰ্ভিচেছ মেডেল ফৰ আউটষ্টেণ্ডিং ছাৰ্ভিচেছ ইন এ ক্ৰাইছিচ ছিটুৱেশ্যন' আৰু 'ষ্টেট ডিজাষ্টাৰ্চ ৰেচপঞ্চ মেডেল' নামেৰে দুটা বঁটা প্ৰদানৰ বিষয়ে আনুষ্ঠানিকভাৱে ঘোষণা কৰে। মুখ্যমন্ত্ৰীয়ে লগতে অসম আৰক্ষীৰ বিষয়া-কৰ্মচাৰীসকলৰ বাবে বাৰ্ষিক স্বাস্থ্য পৰীক্ষাৰ এক কাৰ্যসূচীও ঘোষণা কৰে। তদুপৰি, জনসাধাৰণে জৰুৰীকালীন সময়ত আৰক্ষীৰ সৈতে তাৎক্ষণিকভাৱে যোগাযোগ কৰাৰ সুবিধা হোৱাকৈ আৰক্ষীৰ এটা পদবীৰ বিপৰীতে এটা স্থায়ী মোবাইল নম্বৰ প্ৰদানৰ কাৰ্যসূচীও আনুষ্ঠানিকভাৱে মুখ্যমন্ত্ৰীয়ে আজিৰ অনুষ্ঠানতে উন্মোচন কৰে। উল্লেখ্য যে এই মোবাইল নম্বৰসমূহ সম্বলিত 'ৱান পোষ্ট ৱান নম্বৰ' শীৰ্ষক এখন আৰক্ষীৰ টেলিফোন ডাইৰেক্টৰীও মুখ্যমন্ত্ৰীয়ে উন্মোচন কৰে। তদুপৰি, অসম আৰক্ষীৰ ৱেবছাইটত এই নম্বৰসমূহ উপলব্ধ কৰাৰ উপৰি ছপা, বৈদ্যুতিন আৰু সামাজিক মাধ্যমসমূহতো ব্যাপক প্ৰচাৰৰ পদক্ষেপ লোৱা হ'ব। ইয়াৰ উপৰি, আজিৰ অনুষ্ঠানতে শিশুৰ সহায়ক হোৱাকৈ অসম আৰক্ষীৰ শিশু মিত্ৰ সমল কেন্দ্ৰ প্ৰতিষ্ঠাৰ কথাও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে। আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে আজিৰে পৰা কাৰ্যকৰী হোৱাকৈ চাইবাৰ অপৰাধ ৰোধ কৰাৰ দিশত মাহজোৰা অসম আৰক্ষী চাইবাৰ সুৰক্ষা মাহ পালনৰ কাৰ্যসূচীও শুভাৰম্ভ কৰে। আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ ৰ এই সময়ছোৱাত আৰক্ষীয়ে জনসাধাৰণৰ বন্ধু হিচাপে অৱতীৰ্ণ হোৱাৰ বিভিন্ন দিশ আলোকপাতেৰে প্ৰস্তুত কৰা 'দ্যা নিউ ডাইমেছন ইন পুলিচিং ঃ দ্যা কেচ অৱ আছাম পুলিচ এজ ফ্ৰণ্টলাইন এণ্টি ক'ভিড ৱৰ্কাৰ্চ' শীৰ্ষক এক প্ৰতিবেদনো আনুষ্ঠানিকভাৱে উন্মোচন কৰে। আজিৰ অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীৰ কনিষ্টবল বা তাতকৈ তলৰ পদবীৰ কৰ্মচাৰীৰ পৰা আৰম্ভ কৰি আৰক্ষী পৰিদৰ্শক পৰ্যন্ত বিষয়াসকলৰ মাহিলী ৰেচন ভাট্টা পূৰ্বৰ ১২০০ টকাৰ পৰা ২০০০ টকালৈ বৃদ্ধি কৰাৰ বাবে চৰকাৰে ইতিমধ্যে নিৰ্দেশনা জাৰি কৰাৰ বিষয়েও ঘোষণা কৰাৰ লগতে এই ভাট্টা বৃদ্ধিৰ নিৰ্দেশ আজিৰে পৰা কাৰ্যকৰী হ'ব বুলিও কয়।

অনুষ্ঠানৰ আৰম্ভণিতে মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষী বাহিনীৰ শ্বহীদসকলৰ প্ৰতি আন্তৰিক শ্ৰদ্ধা নিবেদন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে অসম আৰক্ষীয়ে ৰাইজৰ বৃহত্তৰ স্বাৰ্থৰ হকে আত্মনিয়োগ কৰি আহিছে। ৰাইজৰ সেৱাৰ বাবে ত্যাগ আৰু কষ্টৰ দৃষ্টান্তমূলক উদাহৰণ দাঙি ধৰিছে।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

সেইবাবে জনসাধাৰণৰ আস্থা আৰু বিশ্বাস দিনক দিনে বৃদ্ধি পাই আহিছে। শান্তি-শৃংখলা অক্ষুণ্ণ ৰখাৰ লগতে জনসাধাৰণৰ জীৱন আৰু সা-সম্পত্তি সুৰক্ষাৰ বাবে দৃঢ়তাৰ কৰ্ম পথাৰত মনোনিৱেশ কৰি আহিছে। ক'ভিড-১৯ সৃষ্টি সংকটৰ সময়ত আগৰণুৱাৰ ভূমিকা লৈ সেৱাৰ উজ্জ্বল নিৰ্দশন দাঙি ধৰিছে। দিনে-নিশাই ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দি জনসাধাৰণক সাহস প্ৰদান কৰিছে। অসম আৰক্ষীৰ প্ৰায় ৫ হাজাৰ গৰাকী বিষয়া-কৰ্মচাৰী কৰ'নাত আক্ৰান্ত হোৱাৰ লগতে ২১ গৰাকী মৃত্যুমুখত পৰিবলগীয়া হৈছে। তথাপি আৰক্ষী বাহিনীৰ লোকে জনসাধাৰণলৈ নিৰৱচ্ছিন্ন সেৱা আগবঢ়াই আছে। এয়া অসম আৰক্ষীৰ নিৰ্ভীকতা আৰু সেৱাৰ এক উজ্জ্বল পৰিচয় বুলি মুখ্যমন্ত্ৰীয়ে কয়।

আৰক্ষীৰ সন্মুখত বৃহৎ প্ৰত্যাহ্বান আছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে সন্ত্ৰাসবাদীৰ বিৰুদ্ধেও নিৰ্ভীকতাৰে যুঁজ দিছে। ভাৰতৰ সাৰ্বভৌমত্ব আৰু অখণ্ডতা ৰক্ষাৰ বাবে আৰক্ষীয়ে কাম কৰি আহিছে। দুৰ্নীতি, ড্ৰাগছ, সমাজ বিৰোধী শক্তি, নাৰী আৰু শিশুৰ বিপৰীতে অপৰাধ সংঘটিত কৰা অপৰাধীকে ধৰি দুষ্কাৰ্যত জড়িত থকা সকলৰ বিৰুদ্ধে কঠোৰ পদক্ষেপ গ্ৰহণ কৰি মূল্যবোধৰ আধাৰত সমাজখন জীয়াই ৰাখিবলৈ প্ৰয়াস কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে অসম আৰক্ষীয়ে বিভিন্ন ক্ষেত্ৰত উল্লেখযোগ্য সফলতা লাভ কৰিছে। এই প্ৰসংগত কাশ্মীৰৰ পৰা চাইবাৰ ক্ৰাইমৰ অপৰাধীক কৰায়ত্ত কৰা, মণিপুৰৰ পৰা গঁড় হত্যাকাৰীক গ্ৰেপ্তাৰ কৰা আদি বহু উল্লেখযোগ্য সফলতা কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। আৰক্ষী বাহিনীৰ লোকে জনসাধাৰণৰ স্বাৰ্থৰ বাবে কাম কৰাৰ বাবে সংকল্পবদ্ধ, প্ৰতিজ্ঞাৱদ্ধ। নাৰীৰ বিৰুদ্ধে হোৱা অপৰাধ ৰোধ কৰাৰ ক্ষেত্ৰটো আৰক্ষীয়ে সফলতা অৰ্জন কৰিছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। আৰক্ষী বাহিনীৰ লোকসকলে পোছাকযোৰৰ প্ৰতি শ্ৰদ্ধা ৰাখি সততা, নিষ্ঠা আৰু আন্তৰিকতাৰে কাম কৰিব লাগিব। আৰক্ষীয়ে বিপদৰ বন্ধু হিচাপে পৰিচয় দাঙি ধৰিব লাগিব বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আৰক্ষী সঞ্চালক প্ৰধান ভাস্কৰ জ্যোতি মহন্তই আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত মুখ্য সচিব কুমাৰ সঞ্জয় কৃষ্ণ, অতিৰিক্ত মুখ্য সচিব (গৃহ) জিষ্ণু বৰুৱা, গৃহ বিভাগৰ আয়ুক্ত সচিব জি ডি ত্ৰিপাঠি আৰু অন্যান্য শীৰ্ষ আৰক্ষী বিষয়াসকল উপস্থিত থাকে। অনুষ্ঠানৰ পূৰ্বে মুখ্যমন্ত্ৰীয়ে আৰক্ষী দিৱস উপলক্ষে আৰক্ষী বাহিনীৰ মাৰ্চ পাষ্টৰ অভিবাদনো গ্ৰহণ কৰে।

**পুঃডেঃ / বঃভাঃ**
**১/১০/২০২০**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in